# গুৱাহাটী ছোৱালী কলেজ স্থাপনৰ অৰ্থে যত্নপৰ

মোৰ মনত আকৌ নতুন ভাবৰ আন্দোলন হবলৈ ধৰিলে কেনেকৈ স্কুলখনৰ লগতে কলেজৰ ক্লাছ কেইটামান খুলি দিব পৰা যায়। ৰাতিপুৱা কলেজৰ ক্লাছ খুলিবৰ কাৰণে স্কুলৰ মেনেজিং কমিটিৰ ওচৰত মই দৰখাস্ত দি অনুমতি বিচাৰিলো।

দুই তিনিবাৰৰ মিটিঙত মোৰ দৰখাস্ত বিষয়ে নানা কাৰণ প্ৰদৰ্শাই আলোচনাই কৰা নহ'ল। মই ডাক্তৰ দাসক কলো, তেখেতে যেন মোক সেই বিষয়ে সহায় কৰে। তেখেতো স্কুলৰ মেনেজিং কমিটিৰ সভ্য আছিল। মই তেখেতক কলো স্কুল কমিটিয়ে যদি মোক কলেজৰ ক্লাছ খুলিবলৈ অনুমতি দিয়ে মই ৰাতিপুৱা কলেজৰ এটা ক্লাছহে খুলিব লাগিব প্ৰথমে, সেই কামত স্কুলৰ একো অসুবিধা নোহোৱাকৈ কৰিব পাৰিম। তেখেতে মাত্ৰ অনুমতিটো মই পোৱাত যেন মোক অহা মিটিং খনত সহায় কৰে। তেখেতে মোক কলে—"তুমি কিয় অসন্তৱ কামবিলাক কৰিবলৈ বিচাৰা? স্কুলখনৰ কাৰণে ইমান তোমাৰ খাটিব লগাত পৰিছে, আকৌ কিয় আৰু জঞ্জাল লগাই লব খুজিছা?"

মই কলো—"অনুমতিটো পোৱাত মোক সহায় কৰিবচোন, মই কলেজ খুলিব পাৰোঁ-নোৱাৰোঁ পিচৰ কথা।"

আগৰ কেইবাৰৰ দৰেই মই মিটিঙত অনুমতি বিচাৰি দখাস্ত দিলো। আনকিবাৰ ডাক্তৰ দাস নিমাত আছিল। কিন্তু

সেইবাৰ কলেজৰ ক্লাছ খোলাৰ সপক্ষে মাতিছিল। স্কুল কমিটিৰ প্ৰেছিডেণ্ট জন সদায় D.C. আছিল। D.C. চাহাব আহিল। মোক কলে "Mrs Das, it is too premature now to open a Girls' College" মোৰ বৰ ইচ্ছা দেখি তেওঁ ৰাতিপুৱা কলেজৰ ক্লাছ স্কুলত খুলিবলৈ দি এটি প্ৰস্তাৱ ললে।

কটন কলেজৰ admission সাধাৰণতে জুনৰ শেষত শেষ হৈছিল। মই ১৯৩৯ চনৰ ১৬ জুলাইত ছোৱালীৰ কাৰণে পানবজাৰ স্কুলত ৰাতিপুৱা কলেজৰ ক্লাছ খোলা হব বুলি জাননী দিলো। ৰাজহুৱা এখনি মহিলা সভা পাতি কলেজ খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কলেজৰ নাম গুৱাহাটী ছোৱালী কলেজ দিবলৈ স্থিৰ কৰা হৈছিল। সেই সভাত স্বৰ্গীয় হেমপ্ৰভা দাসে সভানেত্ৰীৰ আসন গ্ৰহণ কৰিছিল। প্ৰথমে দুজনী ছোৱালীক ভৰ্ত্তি কৰা হৈছিল—শ্ৰীননী বৰুৱা (পাণবজাৰ স্কুলৰ পৰা মেট্ৰিক পাছ কৰা) আৰু শ্ৰীবাসন্তী লাহিড়ী (তেৰো উক্ত স্কুলৰ পৰাই পাছ কৰা)। পিচত আৰু চাৰি পাচজনীমান ছাত্ৰী ভৰ্ত্তি হৈছিল।

এতিয়া কলেজৰ ক্লাছ কাক লৈ খোলা যায় মহা সমস্যাৰ বিষয় হৈ পৰিল।

কলেজ খোলা কাৰ্য্যত যিকিজন ভদ্ৰলোকে সহায় কৰিবলৈ আগবাঢ়ি আহিছিল তেওঁবিলাকৰ নাম উল্লেখ কৰা সমিচীন হ'ব।

শ্ৰীকনক চন্দ্ৰ দাস, শ্ৰীৰমেশ চাংকাকতি, শ্ৰীৰজনী শৰ্ম্মা, শ্ৰীবিশ্বেশ্বৰ শৰ্ম্মা, নলিনী দাসগুপ্ত। এওঁবিলাকৰ সৌজন্যতে, কলেজৰ প্ৰথম বাৰ্ষিক ক্লাছ আৰম্ভ কৰি দিয়া হ'ল।

ছাত্ৰীৰ সংখ্যা প্ৰথম বছৰ যদিও পাঁচ, ছয় গৰাকী মাত্ৰ হৈছিল, কিন্তু বছৰৰ শেষলৈকে প্ৰথমে ভৰ্ত্তি হোৱা দুগৰাকীয়েই স্থায়ী বাবে ৰৈছিল। দ্বিতীয় বছৰত ছাত্ৰীৰ সংখ্যা আঠ গৰাকীমান হৈছিল। কলেজৰ কাৰণে ছাত্ৰী বিচাৰি ফুৰিব লগাও হৈছিল। এই বিষয়ে মিছেচ হেমপ্ৰভা দাসে বৰ সহায়

কৰিছিল, তেখেতৰ জনা শুনাৰ ভিতৰত ছোৱালীয়ে মেট্ৰিক পাছ কৰা খবৰ জানিলে তেখেতে মোক লগত লৈ অভিভাবকসকলক তেওঁবিলাকৰ ছোৱালীক ছোৱালী কলেজত পঢ়িবলৈ দিবলৈ ধৰিছিলে।

ইতিমধ্যে ডাক্তৰ দাসৰ সহায়ত, শ্ৰীৰোহিনী চৌধুৰী শিক্ষা বিভাগৰ মন্ত্ৰী থকাত কলেজৰ মাটি ঘৰৰ কাৰণে আবেদন কৰা হ'ল। শ্ৰীৰোহিনী চৌধুৰীয়ে কলেজৰ কাৰণে বৰ্ত্তমান কলেজ থকা মাটি আৰু তাত থকা পুৰণা ঘৰ বিলাক কটন কলেজৰ কৰ্ত্তৃপক্ষৰ পৰা হস্তান্তৰ কৰি দিয়ালে। ছোৱালী কলেজৰ কাৰণে চৰকাৰে মাটি ঘৰ দিলে। কলেজৰ কাৰণে এটি অনুদানো চৰকাৰে মঞ্জুৰ কৰিলে।

দ্বিতীয় বছৰত কলেজখন কলিকতা বিশ্ববিদ্যালয়ত অন্তৰ্ভূক্ত কৰিবৰ কাৰণে দৰ্খাস্ত কৰা হ'ল। বিশ্ববিদ্যালয়ৰ ইন্সপেক্টৰ সতীশ ঘোষে কলেজ পৰিদৰ্শন কৰিবলৈ আহিল। তেতিয়া কলেজ পাণবাজাৰ হাইস্কুলতে ৰাতিপুৱা ক্লাছ বহুৱাই চলোৱা হৈ আছিল। কলেজৰ ক্লাছ পৰিদৰ্শন কৰিবৰ সময়ত মই আৰু কলেজৰ গভাৰ্ণিং বডীৰ সভ্য হিচাপে ডাক্তৰ দাসো উপস্থিত আছিল। ইন্সপেক্টৰক চৰকাৰৰ পৰা মাটি ঘৰ পোৱাৰ কথা জনোৱা হৈছিল। তেখেতে কলে কলেজৰ পুঁজি হিচাপে ১০০০০ (দহ হাজাৰ) টকাৰ পুঁজি এটা দেখুৱালেহে তেখেতে কলেজ বিশ্ববিদ্যালয়ত অন্তৰ্ভূক্ত কৰিব পাৰিব আৰু ছাত্ৰীবিলাকক কলেজিয়েট হিচাপে পৰীক্ষা দিবলৈ অনুমতি দিব পাৰিব। যদি সেই পুঁজিৰ বিষয়ে কথা দিব নোৱাৰো তেন্তে সেই বছৰত কলেজক অন্তৰ্ভূক্ত কৰা নহব।

মিঃ ঘোষৰ কথা শুনি ডাক্তৰ দাসে মোৰ চকুলৈ চালে। মই বুজিব পাৰিলো ডাক্তৰ দাসে কলেজ অন্তৰ্ভূক্ত সেই বছৰত হোৱাৰ সম্ভাৱনা নাই বুলিয়েই মোক ইঙ্গিত দিছে। মই ইন্স-পেক্টৰৰ কথাত হতাশ হোৱা নেদেখুৱাই ফটকৰে তেওঁক পুঁজি

সংগ্ৰহ কৰিবলৈ দহদিন সময় বিচাৰিলো। কাৰণ বেছিদিন সময় খুজিলে সেই বছৰত কলেজ অন্তভূৰ্ক্ত কৰিবলৈ তেওঁ অক্ষম হব বুলিয়েই কলে হেঁতেন।

মিঃ ঘোষে কলেজৰ পঢ়া শুনা চাই ভাল পালে। লাইব্ৰেৰী আদিৰ বিষয়ে যি দেখুৱাইছিলো তাকো মানি লৈছিল, টকাৰ পুঁজি এটাৰ অভাৱটোকে আসোঁৱাহ দেখুৱাইছিল। পুঁজি সংগ্ৰহ কৰি তেওঁক খবৰ দিয়াৰ বিষয়ে কথা দিয়াত তেওঁ মানি ললে।

মিঃ ঘোষে বিদায় লোৱাৰ পিচত, ডাক্তৰ দাসে মোক অলপ বিৰক্তি সূচক ভাবে কলে "তুমি কি দুঃসাহসিক কাম বিলাক কৰিবলৈ ওলোৱাহে? তুমি কেনেকৈ ভাবিছা ১০ দিনত দহ হেজাৰ টকা গোটাবা বুলি?" মই কলো "মুখত যি আহিল তাকে কলো, একেবাৰে কলেজ অন্তৰ্ভুক্ত নোহোৱা কথাটোৰ ওৰ নেপেলাই সময়কে লৈ থলোঁ। টকাৰ পুঁজি দেখুৱাব নোৱাৰিলে আপোনা আপুনিয়েই কলেজ আন্তৰ্ভূক্ত নহব।"

সেইদিনা মহা চিন্তাত মই ভগবানক খাতিবলৈ ধৰিলোঁ। ঠহাৎ মোৰ এটা কথা মনত পৰিল। কেইবছৰমানৰ আগতে ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈৰ পৰিবাৰ আমাৰ ঘৰলৈ আহিছিল। ছোৱালীৰ শিক্ষাৰ বিষয়ে মই তেওঁৰ লগত কথা বতৰা হৈছিলোঁ। কথাই কথাই মই তেওঁক জনাইছিলো যে গুৱাহাটীত ছোৱালীৰ কলেজ এখন খোলাৰ বিষয়ে মই বৰ চিন্তা কৰিছিলো, যদি খুলিব পাৰো তেখেতসকলৰ পৰা সহায় কামনা কৰিম। তেওঁ মোক এই বিষয়ে যত্ন কৰা ভাল হব বুলি কলে আৰু আৱশ্যকীয় কৰিব পৰা সহায় নিশ্চয় তেওঁ আগবঢ়াবলৈকো গাত লৈছিল। সেই কথা মনত পৰা মাত্ৰকে মই ডাক্তৰ দাসৰ ওচৰলৈ আহি কলোঁ—"মই এটা টকা পোৱাৰ উপায় পাইছো যদি আপুনি মোক সহায় কৰে এই বিষয়ে কৃতকাৰ্য্য কিজানি হ'ব পৰা যাব।" মিচেছ সন্দিকৈৰ লগত হোৱা কথোপকথনৰ বিষয়ে মই তেওঁক

জনালোঁ। ডাক্তৰ দাসে খূব ভাবিলে, তেখেতৰ কৰিব পৰা কামত সদায় বৰ উৎসাহ আছিল। তেখেতে তৎক্ষণাত মোক লগতলৈ সূৰ্য্যকুমাৰ ভূঞাঁৰ ঘৰলৈ গ'ল। স্বৰ্গীয় ভূঞাঁও আমাৰ কলেজৰ গভৰ্ণিং বডীৰ সভাপতি আছিল। ডঃ ভূঞা আৰু মিচেছ ভূঞাই বৰ মনযোগেৰে মই কোৱা কথাবোৰ শুনিলে। মই ভূঞাক কলো যদি ডাক্তৰ দাস আৰু আপুনি দুয়ো সন্দিকৈ ডাঙৰীয়াক তেওঁৰ স্বৰ্গীয় পত্নীৰ মোক জনোৱা মনোভাবৰ কথা জনায় গৈ আৰু মই তেখেতলৈ সবিশেষ জনাই দিয়া চিঠি খন। দিয়েগৈ, কিজানি তেওঁ দহ হাজাৰ টকা আগবঢ়ায়েই। এইখিনিতে উল্লেখ কৰা সমীচীন হব, সন্দিকৈৰ পত্নী সেই সময়ত জীৱিত নাছিল। মিচছ ভূঞাই ডঃ ভূঞাক বিশেষ-ভাৱে অনুৰোধ কৰিলে ডাক্তৰ দাসৰ লগত সন্দিকৈ ডাঙৰীয়াৰ লগত দেখা কৰিবলৈ যাবলৈ। কিন্তু পিচ দিনাই আছিল বহাগৰ বিহু। বহাগৰ বিহুৰ পিচত যাবলৈ হলে বহুত দিন লাগিব। ডাক্তৰ দাসে বিহুৰ দিনাই যোৱাত মত প্ৰকাশ কৰিলে। মিছছ ভূঞাক সুধিলে ডাক্তৰ ভূঞাক তেওঁ বিহুৰ দিনা যাবলৈ দিবনে বুলি। মই মনতে ভাবিছিলোঁ ভূঞানীয়ে বিহুৰ দিনা যোৱাত বাধা দিব। কিন্তু কি আচৰিত তেওঁ বৰ উৎসাহেৰে ডাক্তৰ ভূঞাক যোৱাটোৱেই ভাল হ'ব বুলি কলে। ভূঞানীক মই মনে মনে অশেষ ধন্যবাদ জনালোঁ।

পিচদিনা বিহুৰ ৰাতিপুৱাই ডাৰক্ত দাস আৰু ডক্তৰ ভূঞাই মোৰ সন্দিকৈ ডাঙৰীয়ালৈ দিয়া চিঠি লগতলৈ যোৰহাটলৈ যাত্ৰা কৰিলে। ৰায়বাহাদুৰ তেখেতৰ তিৰোৱাল বাগিচাত আছিল। ৰাতিতে ডাক্তৰ দাসহঁতে তেখেতক লগ ধৰি তেখেতৰ হাতত মোৰ চিঠিখন দিলে আৰু কলেজ খোলাৰ ইতিবৃত্তি তেওঁক জনালে। তেখেতে বোলে মোৰ চিঠিখন পঢ়ি নিজৰ স্বৰ্গীয় পত্নীৰ ইচ্ছাৰ বিষযে জানিব পাৰি, বহুত সময় ভাবি ৰ'ল। ডাক্তৰ দাসহঁতক কলে, তেখেতে কিছু দান দিব, কিন্তু পিছ, দিনাহে

কৰ পাৰিব কিমান দিব। ডাক্তৰ দাসহঁত আকৌ যোৰহাটলৈ আহি ৰাতিটো তাতে কটাই পিচদিনা ৰায়বাহাদুৰে সময় দিয়া মতে তিৰোৱালৈ গৈ তেখেতক দেখা কৰিলে।

তেখেতে বোলে মোৰ কথা কৈ কলে : 'মিছেছ দাসে ইমান কষ্ট কৰি কলেজখন খোলা বুলি জানিব পাৰি মই বৰ আনন্দ পাইছো। এনেকুৱা কাৰ্য্যত সকলোৰে সহায় কৰা উচিত।

মই এতিয়া বিশ্ববিদ্যালয়ে বিচৰা দহ হেজাৰ টকাৰ পুঁজিৰ কাৰণে দহ হেজাৰ টকাৰ চেকখন দিলো। এই কলেজৰ কাৰণে মই আৰু কি দান আগবঢ়াব পাৰো মিচেছ দাসক লিখি জনাম। ডাক্তৰ দাস আৰু ডাক্তৰ ভূঞাক আদৰ-সাদৰ কৰি সোধ-পোচ কৰি বিদায় দিলে।

ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ পৰা পোৱা টকাৰ কাৰণেই সেই বছৰ কলেজে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা কলেজ অন্তৰ্ভূক্তি হোৱাৰ অনুমোদন লাভ কৰিলে।

সন্দিকৈ ডাঙৰীয়াই তেখেতে কলেজলৈ কি কি কাৰণত দান আগবঢ়াবলৈ ইচ্ছা কৰিছিল সেই বিষয়ে মোক কলেজৰ প্ৰিন্সিপেল স্বৰূপে চিঠি-পত্ৰেৰে জনাবলৈ ধৰিলে। প্ৰথমে তেখেতে কলেজত বটানী খুলিবৰ কাৰণে দহ হাজাৰ টকা দিলে। কলেজৰ কাৰণে চাৰিটি স্কলাৰশ্বিপৰ ব্যৱস্থা কৰি দিছিল। দুটা Competitive Scholarship আৰু দুটা আহোম ছোৱালীৰ কাৰণে স্বকীয়াকৈ দিছিল। কলেজৰ ঘৰ কৰিবলৈ ৫৮,০০০ হাজাৰ টকাৰ পুঁজি এটি আগবঢ়াইছিল। সেই কাৰণেই কলেজখনৰ নাম "সন্দিকৈ কলেজ" বুলি নামাকৰণ কৰা হৈছিল। কিন্তু কলেজৰ ঘৰ আৰম্ভ কৰাৰ বহুবতে ৰায়বাহাদুৰে ইহলীলা সমাপন কৰে। তেখেতৰ চহী নিমিলাৰ কাৰণে কেই হাজাৰমান টকাৰ চেক্ ভঙাব পৰা নগ'ল। তেখেতে বেমাৰত পৰি বিচনাত পৰি থকা অৱস্থাত যিখন চেকত চহী কৰিছিল সেইখনৰ

টকাই আমি হেৰুৱাব লগাত পৰিল। মোৰ যতদূৰ মনত পৰে সেই টকা আঠ হাজাৰ মান আছিল। তেখেতে একে লগে টকা দিয়া নাছিল, ক্ৰমান্বয়ে দিছিল।

তেখেতেৰ মৃত্যুৰ পিচত তৃতীয় আৰু চতুৰ্থ স্কলাৰশ্বিপৰ টকা তেখেতৰ ট্ৰাষ্ট কমিটিয়ে বন্ধ কৰি দিলে। প্ৰথম আৰু দ্বিতীয়, Competitive Scholarship দুটাৰ কাৰণে টকা বছৰে বছৰে বাৰশকৈ পাই থকা হৈছিল। কিছু বছৰৰ পিচত উক্ত স্কুলাৰশ্বিপ দুটাকো দিবলৈ বন্ধ কৰি দিলে। উক্ত স্কলাৰশ্বিপৰ নাম ৰাই-বাহাদুৰে নাৰায়ণী স্কলাৰশ্বিপ দিছিল তেখেতৰ সহধৰ্ম্মিণীৰ নামত। এতিয়া সন্দিকৈ কলেজত নাৰায়ণী স্কলাৰশ্বিপ একেবাৰে উঠি গ'ল।

কলেজত প্ৰথম অৱস্থাত কাম কৰিবলৈ আগবাঢ়ি অহা কিজনৰ নাম উল্লেখ কৰা সমীচীন হব। নিচেই কম পাৰিশ্ৰমিকত তেওঁবিলাকে কামত সোমাইছিল—শ্ৰীউমা কান্ত শৰ্ম্মা, শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী, শ্ৰীবনমালী শৰ্ম্মা, শ্ৰীসত্যৰঞ্জন সেন, শ্ৰীশিৱ ঘোষ, শ্ৰীবিষ্ণু ঘোষ, শ্ৰীজ্ঞান নাথ শৰ্ম্মা আদি।

শ্ৰীহেম বৰুৱা তেতিয়া বি বৰুৱা কলেজৰ প্ৰিন্সিপেল আছিল, তেওঁ সন্দিকৈ কলেজত অৱসৰ সময়ত ইংৰাজী ক্লাছ লৈ দিছিল শ্ৰীশৰৎ কুমাৰ দত্তই (বৰ্ত্তমান চীফ জাষ্টিচ) সন্দিকৈ কলেজত অৰ্থনীতিৰ ক্লাছ লৈ সহায় কৰি দিছিল। সকলোৰে সহানুভূতিশীল কাৰ্য্যত সন্দিকৈ কলেজ সৰ্ব্বাঙ্গপূৰ্ণ কলেজ এখনিত পৰিণত হ'ল। মই নিজেই প্ৰিন্সিপালৰ ভাৰ লৈছিলো, বিনা পাৰিশ্ৰমিকত। সেই একে সময়তে মই পাণবজাৰ স্কুলৰ ছেক্ৰেটৰী আৰু প্ৰধান শিক্ষয়িত্ৰীৰ কাম চলাই গৈছিলো। সন্দিকৈ কলেজৰ বিষয়ে নানা আলোচনা হবলৈ ধৰিলে। কোনোৱে মত প্ৰকাশ কৰিলে ছোৱালীৰ কাৰণে সুকীয়া কলেজ এখন একান্ত অবাঞ্ছনীয়। কাগজত ওলাল ডাঙৰ ডাঙৰ আখৰেৰে Handique women's College is white elephant ইত্যাদি। ছোৱালী বিলাকৰ ভিতৰত মতামত প্ৰকাশ কৰা শুনিবলৈ পোৱা গ'ল বি,এ পাছ প্ৰিন্সিপালে চলোৱা কলেজত তেওঁবিলাকে কিয় পঢ়িব ?

মই কলেজখন গঢ়ি তুলিবলৈকে প্ৰিন্সিপালৰ বাব লৈছিলো কিয়নো সেই সময়ত ছোৱালীক কলেজৰ শিক্ষা দিবলৈ কম সংখ্যক অভিভাৱকেহে ইচ্ছা কৰিছিল। ডাক্তৰ দাসে মোৰ প্ৰতি ছোৱালীবিলাকে দিয়া মন্তব্যত বৰ বেয়া পালে। মোক তেখেতে এম এ টো পাছ কৰিবলৈ উপদেশ দিলে। মোৰ প্ৰথমে পঢ়িবলৈ ইচ্ছা নাছিল। ইমান কামৰ ভিতৰত মই কেনেকৈ পঢ়িব পাৰিম বুলি ভাবি। তেখেত কলিকতালৈ যাওঁতে Indian Vernacular পৰীক্ষাৰ বিষয়ে জানি শুনি আহিল আৰু প্ৰাইভেটকৈ পৰীক্ষা দিবলৈ কলিকতা বিশ্ববিদ্যালয়ৰ অফিচৰ পৰা এখন এপ্লিকেচন ফৰ্ম্ম লৈ আহিল। স্কুল আৰু কলেজৰ বন্ধ হোৱাত মই পৰীক্ষা দিম বুলি পঢ়িবলৈ আৰম্ভ কৰিলো কলিকতাত থকা অম্বিকা বড়াৰ লগত চিঠি পত্ৰেৰে কিতাপ আৰু অসমীয়া পৰীক্ষাৰ নোটৰ বিষয়ে সহায় বিচাৰিলো। তেখেতে মোক শ্ৰীদুৰ্গাৱতী শইকীয়াৰ পৰা নোট বিচাৰিবলৈ লিখিলে। মই দুৰ্গাৱতীলৈ সেই বিষয়ে লিখাত তেওঁ মোক তেওঁৰ নোটবিলাক আৰু দুই এখন কিতাপ পঠাই দিলে। সেই বছৰতে তেওঁ Indian Vernacular তে এম এ পাছ কৰিছিল তেওঁৰ নোট আৰু কিতাপে মোক বৰ সহায় কৰিলে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পৰীক্ষা দিবলৈ অনুমতি পালো। ঘৰতে নিজে যি কিতাপ, নোট সংগ্ৰহ কৰিছিলো বন্ধৰ মাহ দুটাত পঢ়িলো। আগতে মহাভাৰত, ৰামায়ণ, কীৰ্ত্তন, দশম আদি অধ্যয়ন কৰাৰ ফল স্বৰূপে, পৰীক্ষাৰ কাৰণে মই সিমান টান নাপালো। বঙালীৰ পেপাৰখনৰ কাৰণে পঢ়িব লগা কিতাপ আদি যোগাৰ কৰি মই নিজে নিজেই কাৰো সহায় নোলোৱাকৈ তৈয়াৰ কৰিব পাৰছিলো আৰু সেই পেপাৰত মই খুব ভাল নম্বৰ পাইছিলো। পালি-প্ৰাকৃতৰ পেপাৰখন তৈয়াৰ কৰিবলৈ মই টান পাইছিলো কিন্তু সেই বিষয়ে কাৰো সহায় লবলৈ সুবিধা নাপালো।

সেইখন পেপাৰ মোৰ ভালেই হোৱা নাই বুলিয়ে বিশ্বাস কৰিছিলো ।

পৰীক্ষা দিবৰ কাৰণে কলিকতালৈ যাব লগাত পৰিলো । ডাক্তৰ দাসে নিজেই কলিকতাত গৈ থকা মেলাৰ সকলো বন্দোবস্ত কৰিলে । কলিকতাত এমাহৰ কাৰণে ঘৰ এটা ভাড়া কৰি লৈ লৰা-ছোৱালী গোটেইবোৰকে লগত লৈ, ডাক্তৰ দাসে মোক পৰীক্ষা দিয়াবলৈ লৈ গ'ল ।

পৰীক্ষা ১৯৪১ চনত দিয়া হল । Second class পাই পাছ কৰিলোঁ।

মই তেতিয়া এম, এ পাছ প্ৰিন্সিপালৰ নাম পালো ।

পানবজাৰ স্কুলত কলেজৰ ক্লাছ লোৱা দিনক দিনে অসু-বিধাজনক কথা হৈ পৰিল । চৰকাৰে দিয়া পুৰণা ঘৰ কিটালৈ কলেজ লৈ অহা হ'ল ।

মোৰ পক্ষে স্কুল আৰু কলেজৰ তত্বাৱধান লোৱা কঠিন হ'ল । কিন্তু ঘৰত ডাক্তৰ দাসৰ মটৰ গাড়ী থকাত মই আগেয়ে কলেজৰ কাম চাই পিচত স্কুললৈ গৈছিলোঁ। অথাপিও সময়ে সময়ে অসুবিধাত পৰিব লগাত পৰিছিলোঁ। পাণবজাৰৰ পৰা দীঘলী পুখুৰীৰ পাৰলৈ খোজ কাঢ়ি যোৱা অভ্যাস নাছিল, আৰু তেতিয়ালৈকে মই ৰিক্সাত উঠাৰ অভ্যাস কৰা মনত নপৰে। স্কুলৰ পৰা অব্যাহতি লোৱাৰ পিচত কেতিয়াবা আৱ-শ্যক হলে ঘৰৰ পৰা ৰিক্সাৰে কলেজলৈ যোৱাৰ কথা মনত পৰে।

১৯৪১ চনৰ ৬ ডিচেম্বৰৰ ঘটনাই আমাক কি দৰে বিব্ৰত কৰি তুলিছিল, আজিও ভাবিলে মনত হতাশৰ ভাব উদয় হয় ।

আগতে কৈ অহা হৈছে পাণবজাৰ হাইস্কুলৰ মেনেজিং কমিটিৰ মই ছেক্ৰেটৰী আৰু প্ৰেছিডেণ্টজন চাহাব আছিল । প্ৰেছিডেণ্টৰ ইচ্ছামতে স্কুলৰ এখন মিটিং মাতিব লগাত পৰিল।

মিটিঙত প্ৰস্তাৱ লোৱা হ'ল যিবোৰ ছোৱালীয়ে ওৱাৰ মেলালৈ যাব খোজে স্কুলৰ পৰা তেওঁবিলাকক যেন যাবলৈ দিয়া হয়। সেই প্ৰস্তাৱ অনুসৰি ক্লাছে ক্লাছে জাননী দিয়া হ'ল আৰু যি যি ছোৱালীয়ে যাব খোজে তেওঁবিলাকৰ নাম দিবলৈ কোৱা হল। সেই সময়ত চৰকাৰৰ দ্বাৰা ওৱাৰ মেলাৰ বন্দোৱস্ত কৰা হৈছিল কটন কলেজত কিবা কিবি দেখুৱাইছিল। মেলাৰ ঠাই জাজ ফিল্ডত ঠিক কৰা হৈছিল। নানা ৰকম খেল আদিৰ ব্যৱস্থা কৰা হৈছিল। বাস্তবিকতে কবলৈ গলে মেলা আদিৰ বিষয়ে মই বিশেষ খবৰ ৰখা নাছিলো। আমি ভাবিছিলো, যদি মেলা চাবলৈ অলপ সংখ্যক ছাত্ৰী ওলায়, স্কুলৰ মেট্ৰন আদিক দি পঠাই দিয়া যাব। কিন্তু দেখা গ'ল দুশ-আঢ়ৈশ ছোৱালীয়ে অভিভাৱকৰ অনুমতি লৈ স্কুলৰ পৰা মেলালৈ যাবলৈ ওলালে।

সেই দিনা ৫ ডিচেম্বৰ আছিল, তিৰোতাসকলৰ কাৰণে ২ বজাৰ পৰা ৫ বজালৈ মেলাৰ বস্তু পৰিদৰ্শন কৰাৰ সময় আছিল সেই দিনা পানবজাৰ স্কুল হাফ দিয়া হৈছিল ছোৱালীবিলালকক ঘৰৰ পৰা আহিবলৈ সুবিধা দিবৰ কাৰণে। স্কুলৰ মাত্ৰ এখন বাছ, বাছখন ঠিক কৰি থোৱা হৈছিল। শিক্ষয়িত্ৰীসকলক ছোৱালীবোৰ মেলালৈ যোৱাৰ সময়ত স্কুলত উপস্থিত থাকিবলৈ কোৱা হৈছিল। যথাসময়ত ময়ো স্কুলত উপস্থিত হলোগৈ। ইমানবিলাক ছোৱালীয়ে মেলা চাবলৈ অহা দেখি মই বিবুধি হলো। ছোৱালীবিলাকৰ লগত শিক্ষয়িত্ৰী কেইগৰাকীমানক দায়িত্বৰ ভাৰ লৈ যাবলৈ অনুৰোধ কৰিলো। খোজকাঢ়ি ইমানবোৰ ছোৱালীৰ দায়িত্ব লৈ যাবলৈ তেওঁবিলাকে সাহ নকৰিলে। উপায়-বিহীন হৈ নিজৰ কৰ্ত্তব্য বুলি ভাবি মই ছোৱালীবিলাকৰ লগত যাবলৈ ওলালো আৰু কেইগৰাকীমান শিক্ষয়িত্ৰীয়েও যাবলৈ ওলাল। ছোৱালীৰ দলটো লৈ যেতিয়া আমি মেলা ঘৰৰ ওচৰ পাওঁ পাওঁ হলো, মই লক্ষ্য কৰিলো দুই তিনিজনমান ডেকাই মেলা ঘৰত আমাক নোসোমাবলৈ কলে।

তাৰ ভিতৰত মই মোৰ বৰজনাৰ নাতি হৰিদাস ডেকাকো দেখা মনত পৰে। দূৰৈৰ পৰা চিঞঁৰি কি কৈছিল আওকাণ কৰি আমি মেলা ঘৰৰ ভিতৰলৈ সোমালো। কিন্তু সোমোৱাৰ পিচতে ঘৰলৈ শিলগুটি আদি বাহিৰৰ পৰা দলিয়াবলৈ ধৰিলে। স্কুলৰ চকিদাৰ মন বাহাদুৰো আমাৰ লগত আছিল। তৎক্ষণাত তাক পঠাই স্কুল বাছখন অনোৱা হল আৰু প্ৰথমে ছোৱালীবিলাকক ট্ৰিপে ট্ৰিপে পঠাবলৈ ধৰা হল। ছোৱালীবিলাকক শেষ কৰি নপঠোৱালৈকে আমি শিক্ষয়িত্ৰী কেইগৰাকীমান মেলাঘৰতে আছিলো। ছোৱালীক পঠাই শেষ কৰাৰ পিচত আমি তিনি গৰাকীমান শিক্ষয়িত্ৰীয়ে মেলা ঘৰৰ পৰা বাহিৰ হৈ খোজকাঢ়ি আহিবলৈ ধৰিলো। দুই এজন লৰাই দূৰৈৰ পৰা আমি আহি থাকোতে বাটত কিবা কোৱা গম পাইছিলো। কিন্তু কি কৈছিল ধৰিব নোৱাৰিলোঁ।

পিচদিনা ছয় ডিছেম্বৰ আছিল। সন্দিকৈ কলেজৰ আধাৰ শিলা স্থাপনৰ অৰ্থে গভৰ্ণৰক অনুৰোধ জনোৱা হৈছিল। সেই বিষয়ে আৱশ্যকীয় বন্দোবস্ত কৰিবৰ কাৰণে ডিপুটি কমিচনাৰ মিঃ হামফ্ৰেৰে ছয় তাৰিখে ৰাতিপুৱা ৯ বজাত তেওঁৰ বঙলালৈ আমাক মাতিছিল। ডাক্তৰ দাস আৰু মই যথা সময়ত তেওঁৰ বঙলাত উপস্থিত হলোগৈ। তেওঁ কলে— "এইমাত্ৰ কটন্ কলেজৰ প্ৰিন্সিপালে মোক Science class ৰ কোঠাত কিবা দেখুৱা হৈছে চাবলৈ মাতিছে, মোৰ বেছি সময় নালাগে।" তেতিয়া আমি ঘৰলৈ ওভতি আহিবলৈ ওলালোঁ। মিঃ হামফ্ৰেৰেই ডাক্তৰ দাসক কটন কলেজলৈ যাবলৈ লগ ধৰি কলে অধাৰ শিলাৰ বিষয়ে বেছি একো কথা নাই নহয় তাতে মুখে মুখে কথা হৈ ঠিক কৰিব পাৰিব বুলি। মোৰ কলেজলৈ যাবলৈ বেলি হব বুলি ভাবি মই কটন কলেজলৈ যাবলৈ ইচ্ছা কৰা নাছিলো মিঃ হামফ্ৰেৰে ডাক্তৰ দাসক বৰকৈ ধৰাত, ডাক্তৰ দাসে মোক অলপ সময়ৰ কাৰণে যাবলৈ ধৰিলে। আমি গৈ দেখিলো

ছাত্ৰকেইজনমানে কিবা যন্ত্ৰ পাতি লৈ ব্যস্ত হৈ আছিল, প্ৰিন্সিপাল, Mr. Humphery, ডাক্তৰ দাসে তাকে চাইছিল, ময়ো তাতে আছিলো, একো বুজিব নোৱাৰাত মই আহিবলৈ বিচাৰিলো। ডাক্তৰ দাসে Mr. Humphery ৰ পৰা বিদায় ললে আৰু আমি কলেজৰ পৰা বাহিৰ হৈ আহিলোঁ। মটৰত উঠি অলপ দূৰ অহাত কেইজনমান লৰাই হাতত একোডাল টোকনৰ দৰে লৈ আমাৰ গাড়ীৰ ফালে চিঞঁৰি কিবা কিবি কবলৈ ধৰিলে। তাৰে ভিতৰত ত্ৰযাৰ কথা শুনিছিলোঁ "Disgrace to the Head Mistress" বোধকৰো আগৰ দিনা পানবজাৰৰ ছোৱালীবিলাকক মেলালৈ লৈ যোৱাৰ কাৰণেই তেনেকৈ কৈছিল। সেইষাৰ কথা ডাক্তৰ দাসৰ নিজৰ ককায়েকৰ নাতিনিয়েক হৰিদাস ডেকাই কৈছিল। ডাক্তৰ দাসে ভাবিলে তেওঁৰ নাতিনিয়েকক ধমক দিয়াৰ তেওঁৰ অধিকাৰ আছে। তেওঁ গাড়ীৰ পৰা তৎক্ষণাত নামি পৰিলে। মই তেওঁক বাধা দিবলৈ নহল ময়ো ভাবিছিলো নিজৰ নাতিনিয়েকৰ ওচৰলৈহে গৈছে। তাত মই হৰিদাস আৰু দুজন লৰাক দেখা মনত পৰে।

তেখেতে নামি যোৱাৰ লগে লগে মই গাড়ীৰ পৰা দেখিলো আৰু কিছুমান লৰা তাত আহি উপস্থিত হৈছিল আৰু ডাক্তৰ দাসে কলেজৰ ভিতৰলৈ লৰাবিলাকৰ লগত সোমাই গৈছিল।

মই লৰালৰিকৈ নিজৰ কলেজত নামি ডাক্তৰ দাসলৈ মটৰখন পঠাই দিলোঁ। সন্ধিকৈ কলেজত কিছু সময় থাকোতেই ডাক্তৰ দাসে আহি মোক কলেজত লগ ধৰি যি ঘটনা ঘটিছিল কলেহি।

ডাক্তৰ দাসে লৰাবিলাকৰ ব্যৱহাৰৰ বিষয়ে প্ৰিন্সিপালক জনোৱাত কলেজৰ ভিতৰতে প্ৰিন্সিপাল আদি সকলোকৈকে ছাত্ৰৰ দ্বাৰা জোতা দলিয়াদলি হ'ল তাৰ পিচত বাহিৰলৈ ওলাই অহাত ডাক্তৰ দাসক লৰাই ঠেলি ওচৰৰ নৰ্দ্দমাত পেলাই দিয়ে D.C. আদি সকলোৰে আহি সেই ঠাইত উপস্থিত হলহি, কোনোমতে

ডাক্তৰ দাসে সেই ঠাইৰ পৰা উদ্ধাৰ হৈ আহিল। কলেজৰ পৰা মোক লৈ ঘৰলৈ আহিল। তেতিয়া প্ৰায় ১০-৩০ মান বাজিছিল।

মই স্কুললৈ যাবলৈ বুলি ওলাওতেই চকিদাৰে আহি কলেহি পানবজাৰ স্কুলত লৰাৰ দলে আহি ভিতৰ সোমাই ছোৱালী বোৰকো উলিয়াই লৈ গৈছে, চাৰিওফালে হুলুস্থুল লাগিছে, লৰাৰ শোভা যাত্ৰাৰ লগে লগে D.C. নিজে আছে আৰু বহুত মানুহ আছে। বহুতে খবৰ দিলে লৰাৰ শোভা যাত্ৰা আমাৰ ঘৰৰ ফালেই আহিছে বুলি।

এনেকুৱা অসম্ভৱ ঘটনাৰ বাতৰি পাই আমি কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিলো। লৰাৰ শোভা যাত্ৰা কোন ফালে কলৈ গ'ল তিনি বজালৈকে একো জানিব পৰা নাছিলো। তিনি বজাত Mr. Humphery ই আমাৰ ঘৰলৈ আহি ডাক্তৰ দাসক শোভা যাত্ৰা আদিৰ বিষয়ে সকলো খবৰ জনালে। কুলীডিপুৰ ওচৰত লাঠী ছলনা হল বুলিও ডি, চিয়ে সেই খবৰটো জনালে। ডি, চিয়ে ডাক্তৰ দাসক লৰাৰ ওপৰত এটা ওজৰ থানাত দি থবলৈ কলে লৰাবিলাকে ডাক্তৰ দাসক নৰ্দ্দমাত পেলাই দিয়া আৰু গাত শিলগুটি মৰাৰ কাৰণে। ডাক্তৰ দাসে ডি, চিক কলে তেওঁ তৎক্ষণাত সেই কাম নকৰি, ভাবি চাই যি ভাল বুজে কৰিব বুলি। ডি, চিয়ে ডাক্তৰ দাসৰ সেই উদাৰতা ভাল নাপালে। ডাক্তৰ দাস আৰু মোৰ বিষয়ে মিনিষ্টাৰ আদিলৈ ঘটনা অতিৰঞ্জিত কৰি টেলিগ্ৰাম গ'ল। অসম বিধান সভাত প্ৰশ্ন উঠিল। ৰাজহুৱা মিটিং পাতি আমাৰ ওপৰত নানা গৰিহণা দি প্ৰস্তাৱ গৃহীত কৰা হল আচল ঘটনাত আঁৰ কাপোৰ তৰি লাঠি ছালনা আদি সকলো দোষতে আমাক দোষী সাব্যস্ত কৰা হল। আমি দেখি আচৰিত মানিলো মানুহে অভিসন্ধি কৰি কেনেকৈ মিছাক সঁচা কৰি প্ৰচাৰ কৰিব পাৰে। মই ডাক্তৰ দাসক কৈছিলো, "আমাৰ কথা বিলাক যেতিয়া এনেকৈ মিছাকৈ প্ৰচাৰ কৰিছে, আচল ঘটনাৰ বিষয়ে লিখি কাগজত দিয়াহে উচিত হ'ব।"

তেখেতে নিজৰ দুই চাৰিজন বন্ধুক এই বিষয়ে পৰামৰ্শ বিচাৰিছিল, কিন্তু তেওঁবিলাকে কাগজত দিয়াৰ পক্ষে মত নিদিলে, কাগজত দিয়া হলেও কোন কাগজেই বা প্ৰকাশ কৰিলেহেঁতেন ? গোটেই অসম জুৰি আমাৰ বিপক্ষে জনমত গঢ়ি উঠিছিল। গুৱাহাটীত আমাৰ বিপক্ষে এনেকুৱা জনমত জাগ্ৰত হৈ উঠিছিল, আমাৰ দুই এজন বন্ধুৱে আমাৰ জীৱনলৈ আশংকা কৰি আমাক গুৱাহাটীৰ পৰা কিছুদিনৰ কাৰণে আঁতৰলৈ যাবলৈ বুদ্ধি ভাৰসা দিছিল।

মোক স্কুল কলেজলৈ যোৱা অহা নকৰিবলৈ ইষ্ট বন্ধুৱে কৈছিল কিন্তু মই তেনেকুৱা কৰিলে নিজৰ গাতে দোষ পাতি লোৱা হব বুলি ভাবি, সেই উপদেশ নামানি প্ৰতি দিনে স্কুল কলেজলৈ গৈছিলো আৰু ঘটনাৰ আচল কথাখিনি যিমানকে পাৰিছিলো বুজাই কৈছিলো। পিচত মোৰ বুজিবলৈ বাকী নাথাকিল যে বিশিষ্ট কংগ্ৰেছ নেতাৰ চক্ৰান্ততে ডাক্তৰ দাসৰ নাতিনিয়েকক অস্ত্ৰ অৱলম্বন কৰিয়েই ডাক্তৰ দাসৰ ৰাজনৈতিক জীৱনৰ ওপৰতে সেই ব্ৰহ্ম অস্ত্ৰ নিক্ষেপ কৰা হৈছিল। সেই ব্ৰহ্ম অস্ত্ৰৰ পৰা আংশিক ভাৱে উদ্ধাৰ লভিলেও সম্পূৰ্ণ ভাবে ডাক্তৰ দাসে মুক্তি লাভ কৰিব পাৰিছিল বুলি বিশ্বাস মোৰ নহৈছিল মই ভাবো ইয়ো আমাৰে ভাগ্যৰে দোষ, নহলে এনেকুৱা অসম্ভৱ ঘটনাৰ সন্মুখত কিয় আমি পৰিলোহেঁতেন ? ১৯৪১ চনৰ ছয় ডিচেম্বৰৰ ঘটনা বুলিলেই ছাত্ৰৰ ওপৰত লাঠি চালনাৰ কাৰণে আমিয়েই দোষী বুলি সকলোৰে ধাৰণা হৈ গ'ল। ইয়ো ভগবানৰে ইচ্ছা বুলি মই ভাবিছো।

ইতিহাসত এনেকুৱা ধৰণৰ ঘটনা বিৰল নহয় যে মানুহে আচল দোষী নোহোৱাকৈও দোষী সাব্যস্ত হৈ মিছা অপবাদ ভোগ কৰিব লগাত পৰে।

দ্বিতীয় মহাযুদ্ধৰ কাৰণে মিলিটেৰীয়ে গুৱাহাটীৰ স্কুল কলেজৰ ঘৰ অধিকাৰ কৰিলে। পানবজাৰ ছোৱালী হাইস্কুলৰ ঘৰ আৰু

সন্দিকৈ ছোৱালী কলেজৰ ঘৰ খালী কৰি দিব লগাত পৰিল। উক্ত স্কুল আৰু কলেজৰ ক্লাছ কেনেকৈ চলাব পৰা যায় মই ভাবি অস্থিৰ হলো। আমাৰ এটা ঘৰ অলপ দিনৰ কাৰণে খালী হৈ আছিল। সেই ঘৰ আমি থকা ঘৰৰ সন্মুখত। তালৈ পানবজাৰ ছোৱালী স্কুলটোক অনা হ'ল। আমাৰ আৰু দুটা সৰু ঘৰত স্কুলৰ হোষ্টেলৰ ছোৱালী ৰখা হ'ল।

কিন্তু কলেজখন প্ৰথমে St. Mary convent. স্কুললৈ নিয়া হৈছিল। অলপ দিনৰ পিচতো সেই স্কুল ঘৰো মিলিটেৰীক এৰি দিব লগা হোৱাত স্কুলৰ কৰ্ত্তৃপক্ষই আমাক তেওঁবিলাকৰ স্কুল ঘৰৰ পৰা কলেজ আৰু কলেজৰ হোষ্টেল অনতিবিলম্বে লৈ যাবলৈ জাননী দিলে। মই উপায় বিহীন হৈ একোবাৰ কলেজ স্থগিত কৰি ৰখাই ভাল হব বুলি ভাবিলোঁ। কিন্তু মোৰ মনে নামানিলে। মিচেছ হেমপ্ৰভা দাস বাইদেউক কলেজৰ দুৰ্গতিৰ বিষয়ে জনালো। সেই সময়ত তেওঁবিলাকৰ এটা ঘৰ ভাৰাৰ পৰা খালী হৈছিল মাত্ৰ। বাইদেউৱে তৎক্ষণাত সামান্য ভাড়া লৈ তালৈকে কলেজৰ ক্লাছ আনিবলৈ দিলে। ঘৰটোত কোনো-মতেহে কলেজৰ ক্লাছ কিটা বহুৱাব পৰা গৈছিল। বাইদেউৰ অনুমতিলৈ অস্থায়ীভাবে কেইটামান ঘৰ সজাই তাতে অফিচ আদি বহুৱাব লগাত পৰিছিল। এটা ডাঙৰ সমস্যাৰ সমাধান হ'ল। মোৰ দায়িত্বৰ সীমা নোহোৱা হল স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী, কলেজৰ প্ৰিন্সিপাল, ছোৱালীৰ হোষ্টেল চোৱা আদি কাৰ্য্যত মই ওৱে দিনে ৰাতিয়ে লিপ্ত হৈ থাকিব লগাত পৰিল।

যুদ্ধৰ সময়ত ছাত্ৰীৰ সংখ্যা কমি গৈছিল। স্থানীয় ছোৱালী-লৈয়ে স্কুল কলেজ চলাব লগাত পৰিছিল। হোষ্টেলত শিক্ষয়িত্ৰী আৰু কম সংখ্যক ছাত্ৰীহে আছিল গতিকে কোনোমতে ঠাইয়ে আতিছিল ।

কলেজখনৰ ভালকৈ উন্নতি কৰিবৰ অভিপ্ৰায়ে চৰকাৰলৈ দৰ্খাস্ত কৰা হল কলেজখনক যেন চৰকাৰী কলেজ কৰা হয়।

তেতিয়া ছাদুল্লা মিনিষ্ট্ৰী আছিল। সেই সময়ত অসম ভেলীত কটন কলেজ লৰাৰ কাৰণে আৰু সন্দিকৈ কলেজ ছোৱালীৰ কাৰণে গুৱাহাটীত আছিল। চৰকাৰে প্ৰথম ছোৱালী কলেজ এটি নাযা দাবী বুলি ভাবি, সন্দিকৈ কলেজক ১৯৪৫ চনত চৰকাৰী কলেজ কৰিলে। কলেজখনে চৰকাৰী কলেজ হৈ মাত্ৰ দুবছৰত ভৰি দিয়াৰ পিচতে, কংগ্ৰেছৰ বৰদলৈ মন্ত্ৰী সভাই স্থান অধিকাৰ কৰিলে।

প্ৰথমতেই এই মন্ত্ৰী সভাই সন্দিকৈ কলেজক বেচৰকাৰী কৰাৰ প্ৰস্তাৱ ললে। মই কি দৰে প্ৰতিজন মন্ত্ৰীকে বুজাবলৈ চেষ্টা কৰিলো ছোৱালী কলেজ এখন কি কঠোৰ পৰিশ্ৰম আৰু যত্নত থিয় কৰাব লগাত পৰিছিল সেই কথা তেওঁবিলাকৰ অগোচৰ নহয়। এই কলেজখনক বেচৰকাৰী কৰি চৰকাৰে চৰকাৰৰ কিমান টকা বচাব পাৰিব ইত্যাদি।

কিন্তু কোনোজন মন্ত্ৰীয়েই ছোৱালী কলেজ চৰকাৰী কৰি ৰখাত মত প্ৰকাশ নকৰিলে। বৰং কংগ্ৰেছৰ পাৰ্টি মিটিঙত ছাত্ৰীৰ সংখ্যা অলপ বুলি কৈ ছোৱালীৰ কাৰণে চৰকাৰৰ ইমান টকা খৰচ হোৱাত বিৰুদ্ধে মত প্ৰকাশ কৰিছিল বুলি শুনিবলৈ পোৱা গৈছিল। মই যেতিয়া অসমৰ মন্ত্ৰীসভাৰ পৰা কোনো সহানুভূতি নাপালো আকৌ কলেজক যাতে বেচৰকাৰী কৰিবলৈ প্ৰস্তাৱ গৃহীত নকৰাব পাৰি তাকে ভাবি মই পণ্ডিত জৱাহৰলাল নেহৰু, ৰাজাগোপালচাৰী, আৰু ডঃ ৰাজেন্দ্ৰ প্ৰসাদলৈ কলেজৰ ইতিবৃত্তি লিখি জনালো। কংগ্ৰেছ মন্ত্ৰীয়ে কলেজ চৰকাৰী হোৱাৰ দুবছৰৰ পিচত আকৌ কলেজক বেচৰকাৰী কৰিবলৈ ওলাইছে বুলি তেখেতসকলক জনালো। কলেজক চৰকাৰী কৰি ৰখা কাৰ্য্যত তেওঁবিলাকে কেনেকৈ সহায় কৰিব পাৰিব তাকো সুধিছিলো। তেওঁবিলাকৰ পৰা উত্তৰ পালো তেওঁবিলাকে অসমৰ মুখ্যমন্ত্ৰী বৰদলৈক এই বিষয়ে সুধি পঠাইছে বুলি জৱাহৰলাল নেহৰুৰ পৰা আকৌ চিঠি পালো। তেওঁ জনালে

প্ৰদেশৰ ওপৰত প্ৰদেশৰ কাৰ্য্যকলাপৰ বিষয়ে কৰা কাৰ্য্যত কেন্দ্ৰৰ কোনো হাত নাই। সন্দিকৈ কলেজক কিয় বেচৰকাৰী কৰা হ'ল বুলি সোধাত মুখ্যমন্ত্ৰী বৰদলৈয়ে জনাইছে যে বেচৰকাৰী কৰিলে ছোৱালীৰ আৱশ্যকীয় সকলো বিষয়ে কলেজত খুলিবলৈ সুবিধা হব, তেতিয়া হলে অনতি বিলম্বে ছোৱালীয়ে উপযুক্ত শিক্ষা লাভ কৰিব পাৰিব। চৰকাৰী হৈ থাকিলে ইয়াৰ উন্নতি সাধনত বহুত দিন লাগিব। ছোৱালী কলেজৰ বিশেষ উন্নতি সাধনৰ অভিপ্ৰায়ে চৰকাৰে এটা বছৰেকীয়া গ্ৰাণ্ট কলেজক দিব।

প্ৰধান মন্ত্ৰীৰ চিঠিখন পাই মই সন্দিকৈ কলেজ চৰকাৰী কৰি ৰখাৰ সকলো আশা পৰিহাৰ কৰিলো।

যথা সময়ত কলেজক চৰকাৰীৰ পৰা বেচৰকাৰী কৰা হ'ল আৰু চৰকাৰে মাত্ৰ বছৰি এটা গ্ৰাণ্ট দিলে চৰকাৰী সাহায্য প্ৰাপ্ত কলেজ স্বৰূপে। কংগ্ৰেছ চৰকাৰৰ এই কাৰ্য্যত মই মৰ্ম্মাহত হলো। মই ভাবিবলৈ ধৰিলো কংগ্ৰেছ চৰকাৰৰ দ্বাৰা কলেজখন চৰকাৰী হোৱা নাছিল কাৰণেই নেকি তেওঁবিলাকে ছোৱালীৰ উচ্চ শিক্ষাৰ কাৰণে গঢ়ি তোলা কলেজখনৰ এনেকুৱা অধোগামী চিন্তিলে? ছোৱালীৰ কাৰণে শিক্ষা বিস্তাৰ কৰিবলৈ এনেকুৱা উদাৰ কাৰ্য্যত সন্দিহান হৈ মহাত্মাৰ আদৰ্শত আদৰ্শিত হোৱা কংগ্ৰেছ নেতাসকলে কি ভাবি, কলেজখনৰ গতি ৰোধ কৰিবলৈ কুণ্ঠীত নহল? কলেজ কাৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছিল আৰু কাৰ দ্বাৰা চৰকাৰী হৈছিল এনেকুৱা ভিত্তিহীন ভাবৰ দ্বাৰা এই মহান নেতাসকলে কেনেকৈ আক্ৰান্ত হ'ব পাৰিলে? কংগ্ৰেছৰ নেতাসকলৰ মনোভাব প্ৰকাশ হৈ পৰিল যে দেশৰ উন্নতিৰ অৰ্থে সকলো শুভ কাম কৰিবলৈ অকলে কংগ্ৰেছৰ লোকজনৰহে অধিকাৰ আছে। মই অশেষ চিন্তা গৱেষণাৰ দ্বাৰা যেতিয়া বুজিব পাৰিলো সন্দিকৈ কলেজৰ উৰ্দ্ধগতিৰ ৰোধ মহাত্মাৰ আদৰ্শবাদীৰ দ্বাৰাই সম্পাদিত হ'ল মই নিৰাশ্ৰয়ৰ

দৰে চকুৰ পানী পেলাই শান্তি পাবলৈ যত্ন কৰিলো ভগবানক প্ৰাৰ্থনা কৰিলো মোক যেন সেই মনস্তাপ সহ্য কৰিবলৈ শক্তি দিয়ে। ভগবানৰে ইচ্ছা বুলি ভাবি মই আকৌ সন্দিকৈ কলেজৰ উন্নতি সাধিত কাৰ্য্যত ব্ৰতী হলো।

মিলিটেৰীয়ে অধিকাৰ কৰা স্কুল, কলেজৰ ঘৰ বিলাক এৰি দিয়াত, স্কুল কলেজবোৰ নিজ নিজ স্কুল কলেজ ঘৰ বিলাকলৈ লৈ যোৱা গ'ল। সন্দিকৈ কলেজ, পাণবজাৰ স্কুলকো যথা স্থানলৈ নিয়া হ'ল। পাণবজাৰ হাইস্কুল এখনি লেখত লবলগীয়া স্কুলত পৰিণত হৈছিল উপযুক্ত শিক্ষয়িত্ৰীৰ সংখ্যাও বাঢ়িছিল। স্কুলখনত ছাত্ৰীৰ সংখ্যাও যথেষ্ট বাঢ়িছিল। অসমীয়া আৰু বঙালী ছাত্ৰীৰ কাৰণে সুকীয়া ক্লাছৰ ব্যৱস্থা কৰা হৈছিল। স্কুল ঘৰ আদিৰো উন্নতি সাধিত হৈছিল। স্কুল আৰু কলেজ দুঠাইত হোৱাই মোৰ স্কুল কলেজ উভয়কে চলোৱাত অসুবিধা হোৱা অনুভৱ কৰিলো। ১৯৪৭ চনত মই মোৰ সহকাৰী শিক্ষয়িত্ৰী শ্ৰীপ্ৰজ্ঞা চৌধুৰীৰ হাতত প্ৰধান শিক্ষয়িত্ৰীৰ ভাৰ গটাই দি স্কুলৰ পৰা অব্যাহতি ললো। মোৰ গোটেই শক্তি সন্দিকৈ কলেজক গঢ়ি তোলাত লগাবলৈ ধৰিলো আৰু কলেজৰ ঘৰ আদি সজা কাৰ্য্যত আত্ম নিয়োগ কৰিলো। উন্নত দেশত স্ত্ৰী শিক্ষাৰ প্ৰণালীৰ বিষয়ে জানিবলৈ মোৰ ইচ্ছা জন্মিল ডঃ দাসেও গুৱাহাটী হস্পিতেলত অস্ত্ৰোপচাৰ কাৰ্য্য সম্পাদন কৰিছিল। তেখেতেও লণ্ডনৰ হস্পিতেলত অপাৰেচন আদিৰ বিষয়ে পৰিদৰ্শন কৰি অহিবলৈ মন কৰিলে।